prepp
Your Personal Exams Guide

**Series ΣHEFG** **Set-4**

**Q.P. Code 14**

Roll No.

Candidates must write the Q.P. Code on the title page of the answer-book.

# অসমীয়া

# ASSAMESE

*সময় : **3** ঘণ্টা* *সৰ্বমুঠ নম্বৰ : **80***

*Time allowed : **3** hours* *Maximum Marks : **80***

- Please check that this question paper contains **11** printed pages.
- Q.P. Code given on the right hand side of the question paper should be written on the title page of the answer-book by the candidate.
- Please check that this question paper contains **17** questions.
- **Please write down the serial number of the question in the answer-book before attempting it.**
- 15 minute time has been allotted to read this question paper. The question paper will be distributed at 10.15 a.m. From 10.15 a.m. to 10.30 a.m., the students will read the question paper only and will not write any answer on the answer-book during this period.

*

prepp
Your Personal Exams Guide

***General Instructions :***

*There are* ***four*** *sections in question paper.*

*Section A contains 1 question.*

*Section B contains 5 questions.*

*Section C contains 5 questions.*

*Section D contains 6 questions.*

*Attempt questions as per instructions mentioned against each question.*

**SECTION A (15 marks)**

**(বোধ পৰীক্ষণ)**

**1.** অনুচ্ছেদটো পঢ়ি নিম্নলিখিত প্ৰশ্নসমূহৰ উত্তৰ লিখা –

আমাৰ কথাতে কয় বোলে "দেহা থাকিলেহে বেহা" । সৰু-ডাঙৰ সকলো কাম কৰাৰ বাবে সুস্থ শৰীৰৰ আৱশ্যক । শৰীৰৰ সুস্থ অৰ্থাৎ নীৰোগ অৱস্থাই স্বাস্থ্য । নীৰোগী মানুহ ক্ষীণ হ'লেও স্বাস্থ্যৱান । স্বাস্থ্যৱান লোক দৰিদ্ৰ হ'লেও সুখী; কাৰণ সুখ-শান্তি ধনেৰে কিনিব নোৱাৰি । জীৱনত কৃতকাৰ্যতা লাভ কৰিবলৈ হ'লে আমি নানা ধৰণৰ কাম কৰিব লাগে । সেইবোৰ সুকলমে কৰিবলৈ সুস্বাস্থ্যৰ প্ৰয়োজন ।

শৰীৰ আৰু মনৰ ঘনিষ্ঠ সম্পৰ্ক আছে । শৰীৰ ভালে থাকিলেহে মনো ভালে থাকিব । স্বাস্থ্যৱান লোকৰ মনত শান্তি আৰু দেহত সুখ থাকে । স্বাস্থ্যহীন লোক বুদ্ধিমান হ'লেও তেঁও সেই বুদ্ধি ভালদৰে কামত খটাব নোৱাৰে । গতিকে সকলোৰে স্বাস্থ্য ৰক্ষাৰ বাবে যত্ন কৰা উচিত ।

স্বাস্থ্য ভালে থকাটোৱেই স্ৰষ্টাৰ বিধান । ইয়াৰ বাবে কিছুমান উপায় অৱলম্বন কৰা উচিত । ডেকা কালছোৱাত মানুহৰ শৰীৰৰত প্ৰভূত শক্তি আৰু মনত অদম্য উৎসাহ থাকে । সেইবাবে এই বয়সত কিছুমানে অত্যধিক শ্ৰম কৰে আৰু নানা ধৰণেৰে দেহটোক কষ্ট দিয়ে । তাৰ ফলত তেঁওলোকৰ স্বাস্থ্য ভঙ্গ হয়

স্বাস্থ্য অটুট ৰাখিবলৈ হ'লে বাস কৰা ঠাইডোখৰ জেকা নলগা আৰু বা-বতাহ চলাচল কৰিব পৰা হ'ব লাগে । দ' জেকা ঠাই খনো বাসোপযোগী নহয় ।

Prepp
Your Personal Exams Guide

থকা ঠাইডোখৰত যাতে পানী জমা হৈ থকি মাখি-মহ আদি অনিষ্ঠকাৰী কীটপতঙ্গ, বেমাৰৰ বীজানু আদি জন্মিব নোৱাৰে তাৰ বাবে যত্ন কৰিব লাগে । নলানৰ্দমাৰ সহায়ত পানী ওলাই যোৱাৰ ব্যৱস্থা কৰিব লাগে । থকা ঘৰটো ওখ ঠাইত হোৱাৰ লগতে বায়ু চলাচলৰ সু-ব্যৱস্থা থাকিব লাগিব । বতাহত পোৱা অম্লজান গেছ হে স্বাস্থ্যৰ বাবে প্ৰয়োজন ।

স্বাস্থ্য ৰক্ষাৰ বাবে বিশুদ্ধ পানীৰ প্ৰয়োজন । দৈনন্দিন জীৱনত খোৱা পানীৰ লগতে গা ধোৱা, কাপোৰ ধোৱা, ৰন্ধা-বঢ়া কৰা আদি সকলো কামতে ব্যৱহাৰ কৰা পানী বিশুদ্ধ হ'ব লাগে । খোৱাপানীৰ লগতে পুষ্টিকৰ খাদ্যও সুস্থ শৰীৰৰ বাবে একান্ত প্ৰয়োজন । সদায় পৰিমিত ভোজন কৰিব লাগে । সকলো মানুহৰ খাদ্যৰ পৰিমাণ একে নহয় । খাদ্য বেছিকৈ নহয়, তাক জীণ নিয়াব পাৰিলেহে সি আমাৰ উপকাৰ কৰিব পাৰে । অতি ভোজন স্বাস্থ্যৰ বাবে ক্ষতিকাৰক । অৱশ্যে মানসিক শ্ৰম কৰা লোকতকৈ শাৰীৰিক শ্ৰম কৰা মানুহে বেছি আহাৰ খাব লাগে । একেলগে বেছিকৈ নাখাই দিনটোত দুই/তিনিবাৰ পৰিমিত ভোজন কৰা উচিত । আহাৰ সদায় নিয়মিত সময়ত খাব লাগে আৰু ভালদৰে চোবাই খাব লাগে ।

শ্ৰম আৰু বিশ্ৰাম দুয়োটাই স্বাস্থ্য ৰক্ষাৰ উত্তম উপায় । শ্ৰম মানসিকেই হওঁক বা শাৰীৰিকেই হওঁক ই সীমিত হ'ব লাগে, অত্যধিক শ্ৰম অনিষ্টকৰ । শাৰীৰিক শ্ৰম কৰা লোকে স্বাস্থ্য ৰক্ষাৰ বাবে ব্যায়াম কৰাৰ প্ৰয়োজন নাই । মানসিক পৰিশ্ৰম কৰা লোকে নিতৌ নিয়মিত ভাৱে ব্যায়াম কৰাৰ প্ৰয়োজন । আজিকালিৰ অভাৱ-অনাটনলৈ চাই ব্যায়াম কৰাতকৈ মানসিক শ্ৰম কৰা লোকেও উৎপাদনমূলক শাৰীৰিক শ্ৰম কৰাহে যুগুত । স্বাস্থ্য ভাল ৰাখিবলৈ পৰিশ্ৰমৰ লগতে বিশ্ৰামৰো প্ৰয়োজন । ৰাতি বিশ্ৰামৰ সময় । টোপনিত মন আৰু শৰীৰে জিৰণি পায় । ইয়াৰ ফলত মন আৰু শৰীৰে নতুন শক্তি লাভ কৰে । ইংৰাজীত এষাৰ কথা কথা আছে – “Early to bed and early to rise, makes a man healthy, wealthy and wise.” অৰ্থাৎ সোনকালে শোৱা আৰু সোনকালে উঠা কাৰ্যই স্বাস্থ্য, সম্পদ আৰু জ্ঞান প্ৰদান কৰে । সেইবাবে সেই নিয়মো পালন কৰা উচিত । জ্ঞানী লোকসকলে কয় সকলোৰে অতিমাত্ৰা বেয়া । সেইবাবে স্বাস্থ্যৰক্ষা কৰিব খোজা মানুহে আহাৰ, নিদ্ৰা, শ্ৰম আদি সকলো বিষয়তে নিয়মীয়া হ'ব লাগে ।

prepp
Your Personal Exams Guide

স্বাস্থ্যৰক্ষা কৰিবলৈ হ’লে মনৰ আনন্দৰো প্ৰয়োজন । খেল-ধেমালিয়ে মনৰ আনন্দ দিয়ে । তদুপৰি মানুহ সংযমী আৰু বিবেচক হ’ব লাগে । ক্ৰোধ, লোভাদি ৰিপুৰ বশ হৈ কাম কৰিলে মানুহ ৰুগীয়া হয় ।

সংসাৰত কৃতকাৰ্যতাৰে জীৱন-যাপন কৰিবলৈ হ’লে সৰুকালৰে পৰা স্বাস্থ্য সচেতন হ’ব লাগিব । এই ক্ষেত্ৰত মাক-দেউতাকে শিশুৰ যত্ন ল’ব লাগে আৰু স্বাস্থ্যৰক্ষাৰ নীতি-নিয়মসমূহ শিশুক সৰুৰে পৰাই শিকাব লাগে ।

(i) শ্ৰম আৰু বিশ্ৰামক স্বাস্থ্যৰক্ষাৰ উত্তম উপায় বুলি কিয় কৈছে ? *2*

(ii) মানুহে কেনে ঠাইত বাস কৰিব লাগে ? *2*

(iii) কেতিয়া মানুহৰ স্বাস্থ্য ভংগ হয় ? *2*

(iv) স্বাস্থ্যৰক্ষাৰ ক্ষেত্ৰত মাক-দেউতাকে কেনে ভূমিকা ল’ব পাৰে ? *2*

(v) আমি কেনে আহাৰ খোৱা উচিত ? *2*

(vi) শৰীৰ আৰু মনৰ মাজত ঘনিষ্ঠ সম্পৰ্ক থকা বুলি কিয় কোৱা হয় ? *2*

(vii) সন্ধি ভাঙা – অত্যধিক = *1*

(a) অত্য+ধিক

(b) অতি+অধিক

(c) অত+অধিক

(d) অত্য+অধিক

(viii) উপসৰ্গ বাছি উলিয়াই লিখা – উত্তম *1*

(a) উত

(b) উ

(c) উদ

(d) উৎ

(ix) বিপৰীতাৰ্থক শব্দ লিখা – পৰিমিত *1*

(a) সীমিত

(b) পৰিমিতহীন

(c) অপৰিমিত

(d) বিপৰিমিত

Prepp
Your Personal Exams Guide

## SECTION B (25 marks)
## (লিখন কলা)

**2.** (i) তলত দিয়া সাংকেতিক বাক্যকেইটাৰ সহায় লৈ গল্পটো সম্পূৰ্ণকৈ লিখা । (গল্পটোৰ এটা শিৰোনাম আৰু নীতিশিক্ষা লিখিব লাগিব ।) *5*

বানপানীৰ পিছত কমলে পথাৰলৈ গ'ল ________ পথাৰখন দেখি দুখ লাগিল ________ অলপ পিছত ঘূৰি আহিল ________ দেখিলে ________ বানপানীত ৰেলপথটো ছিগিল ________ অলপ পিছত সেই পথেৰে ৰেল এখন অহাৰ কথা ________ দূৰত ৰেলখন দেখিলে ________ কমলে ৰঙা চোলাটো জোকাৰি জোকাৰি ৰেলখনৰ ফালে গ'ল ________ ৰেলখন ৰ'ল ________ বহু মানুহ মৃত্যুমুখৰ পৰা ৰক্ষা পৰিল ________

**নাইবা**

(ii) তলত দিয়া যিকোনো ***এখন*** ৰচনা লিখা –

(a) সময়ৰ মূল্য

(b) অধ্যৱসায়

**3.** "বিশ্ব পৰিবেশ দিৱস"ৰ লগত সংগতি ৰাখি তোমাৰ বিদ্যালয়ে আয়োজন কৰা অনুষ্ঠানটোৰ বিষয়ে জনাই বাতৰিকাকতত প্ৰকাশৰ বাবে এখন প্ৰতিবেদন যুগুত কৰা । *5*

**4.** তলত দিয়া যিকোনো ***এটা*** ফকৰা-যোজনা বুজাই লিখা – *1×5=5*

(i) ফিৰিঙতিৰ পৰা খাণ্ডৱ দাহ হয় ।

(ii) তুলসীৰ লগত কলপটুৱাৰো মুক্তি

**5.** ভাৱ সম্প্ৰসাৰণ কৰা (যিকোনো ***এটা***) – *1×5=5*

(i) আধুনিক জগতত বাতৰি কাকতৰ ভূমিকা অসাধাৰণ ।

(ii) অভাৱেই আৱিষ্কাৰৰ মূল ।

**6.** তলত দিয়া খণ্ডবাক্যৰ শুদ্ধ অৰ্থটো লিখা – *5×1=5*

(i) ডাল দৰিদ্ৰ =

(a) নিমাখিত (b) অতি দুখীয়া

(c) মন মাৰি (d) অতি মৰমৰ

(ii) চকু মেলি চা =

(a) ভালকৈ চা (b) সন্দেহ কৰা

(c) কৃপাদৃষ্টি কৰ (d) ঘোৰ আন্ধাৰ

(iii) ঠেৰু ছিগা =

(a) নিৰাশ্ৰম (b) বৰ ডাঙৰ

(c) সজাই-পৰাই কোৰা (d) মৰণত শৰণ দি

(iv) ন দি ক =

(a) অমান্য কৰা (b) ভাগ্য

(c) ডাঠিক (d) নিৰাশ্ৰম

(v) এলা-পেচা =

(a) কিছু বাদ দি (b) নিচেই সৰু

(c) সামান্য (d) ঘোৰ অন্ধকাৰ

## SECTION C (20 marks)

## (ব্যাকৰণ)

**7.** তলত দিয়া সম্মোচাৰিত শব্দকেইটাৰ অৰ্থ লিখা – *4×1=4*

(A) (i) কুলি =

(ii) কুলী =

(B) (i) জান =

(ii) যান =

**8.** তলত দিয়া শব্দবোৰৰ বিপৰীতাৰ্থক শব্দ বাছি উলিয়াই লিখা – *4×1=4*

(i) গোচৰীয়া =

(a) অগোচৰীয়া (b) বান্দী

(c) পাতল (d) পদকীয়া

(ii) ইচ্ছা =

(a) অনিচ্ছা (b) অইচ্ছা

(c) সদিচ্ছা (d) অনীচ্ছা

(iii) বিৰহ =

(a) খৰচ (b) মিলন

(c) অধৰ্ম (d) দুখীয়া

(iv) দ্ৰুত =

(a) মন্থৰ (b) মন্তৰ

(c) অচল (d) মন্থৰ

**9.** তলত দিয়া নিয়মসমূহৰ অন্তৰ্গত নিৰ্দিষ্ট শব্দবোৰ বাছি উলিয়াই লিখা – *4×1=4*

(i) সু আৰু বি উপসৰ্গৰ পিছত থকা 'সম' শব্দৰ মন্ত্য স মূৰ্দ্ধন্য ষ হয় ।

(a) সুষম (b) সুকৃতি

(c) সুসম (d) বিশেষ

(ii) প্ৰত্যয় যোগ হলে হবিস্ আৰু চাক্ষুস্ শব্দৰ মন্ত্য স মূৰ্দ্ধন্য ষ হয় ।

(a) হবিষ্য (b) হৱিষ্য

(c) হৰ্ষ (d) চাক্ষুস

(iii) অ, আ ভিন্ন স্বৰবৰ্ণ বা ক বা ৰ- ৰ পাছত থকা প্ৰত্যয়ৰ দন্ত্য স মূৰ্দ্ধন্য ষ হয় ।

(a) শ্ৰীচৰণেষু (b) পুৰুষ

(c) সুষম (d) দোষ

(iv) কিছুমান শব্দ স্বাভাৱিকতে মূৰ্দ্ধন্য ষ হয় ।

(a) পাষাণ (b) অভিলাষ

(c) নিষাদ (d) মিষ্ট

Prepp
Your Personal Exams Guide

**10.** শুদ্ধ উত্তৰ বাছি উলিয়াই লিখা – *4×1=4*

(i) যাৰ বুদ্ধি থাকে, সি সহজে বিপদত নপৰে ।

(a) সৰল বাক্য (b) যৌগিক বাক্য

(c) জটিল বাক্য (d) প্ৰশ্নবোধক বাক্য

(ii) বিষয়টো অভিনৱ, কিন্তু অস্বাভাৱিক নহয় ।

(a) যৌগিক বাক্য (b) জটিল বাক্য

(c) সৰল বাক্য (d) মিশ্ৰ বাক্য

(iii) পানী গোট মাৰিলে বৰফ হয় ।

(a) জটিল বাক্য (b) সৰল বাক্য

(c) যৌগিক বাক্য (d) প্ৰশ্নবোধক বাক্য

(iv) মালা যে গৈছিল আমি নাজানো ।

(a) সৰল বাক্য (b) জটিল বাক্য

(c) যৌগিক বাক্য (d) ভাৱবোধক বাক্য

**11.** বিপৰীত লিংগ বাছি উলিয়াই লিখা – *4×1=4*

(i) অগ্ৰজ =

(a) অগ্ৰজী (b) অগ্ৰজি

(c) অগ্ৰজা (d) অগ্ৰজে

(ii) তাপস =

(a) তাপসা (b) তাপসী

(c) তাপসি (d) তপসা

(iii) ভেঁকুলী =

(a) ভেকুলা (b) ভেঁকুলীনী

(c) ভেকোলা (d) ভেঁকুলি

(iv) মহাশয় =

(a) মহাশয়া (b) মহাশয়ী

(c) মহাশী (d) মহাশায়া

prepp
Your Personal Exams Guide

## SECTION D (20 marks)

## (গদ্য ভাগ)

**12.** তলত দিয়া প্ৰশ্নসমূহৰ শুদ্ধ উত্তৰ বাছি উলিয়াই লিখা – *4×1=4*

(i) শ্বেক্সপিয়েৰৰ "COMEDY OF ERRORS" অসমীয়ালৈ কি নামেৰে অনুবাদ হৈছিল ?

(a) লিতিকাই

(b) তত্ত্বকথা

(c) জোনবিৰি

(d) ভ্ৰমৰংগ

(ii) 'কথা-গুৰু-চৰিত' পুথিখন কোনে সম্পাদনা কৰিছিল ?

(a) উপেন্দ্ৰ চন্দ্ৰ লেখাৰুৰে

(b) আনন্দ ৰাম বৰুৱাই

(c) গুনাভিৰাম বৰুৱাই

(d) শ্ৰীমন্ত শ্ংকৰ দেৱে

(iii) ৰামধেনু যুগৰ এগৰাকী চুটিগল্প লিখক ?

(a) শ্ৰীমন্ত শংকৰ দেৱ

(b) জ্যোতিপ্ৰসাদ আগৰৱালা

(c) শীলভদ্ৰ

(d) বিষ্ণুপ্ৰসাদ ৰাভা

(iv) ''মধুপুৰ বহুদুৰ'' – গল্প শংকলনখন কোনে ৰচনা কৰিছিল ?

(a) লক্ষ্মীনাথ বেজবৰুৱাই

(b) আনন্দৰাম বৰুৱাই

(c) হেমচন্দ্ৰ বৰুৱাই

(d) শীলভদ্ৰই

Prepp
Your Personal Exams Guide

**13.** তলত দিয়া যিকোনো ***এটা*** প্ৰশ্নৰ উত্তৰ লিখা – *1×2=2*

(A) পানীত থাকিও মাছ তৃষ্ণাতুৰ ।
শুনি শুনি হাঁহি উঠে মোৰ ॥
– পদফাকিৰ তাত্ত্বিক অৰ্থ লিখা ।

(B) আনন্দৰাম বৰুৱাৰ কোনবোৰ গুণ সদায় অনুকৰণ কৰিবলগীয়া ?

**14.** তলত দিয়া যিকোনো ***এটা*** প্ৰশ্নৰ উত্তৰ লিখা – *1×4=4*

(A) বৰ্তমান সময়ত চিঠিৰ প্ৰাসঙ্গিকতা কিয় কমি গৈছে ?

(B) প্ৰাচ্য আৰু পাশ্চাত্যৰ সমন্বয় সাধনত আনন্দৰাম বৰুৱাই কেনে অৱদান আগবঢ়াই গৈছে বুজাই লিখা ।

## (পদ্য ভাগ)

**15.** প্ৰশ্নসমূহৰ শুদ্ধ উত্তৰ বাছি উলিয়াই লিখা – *4×1=4*

(i) বৰগীতসমূহ কি ভাষাত ৰচনা কৰিছিল ?
- (a) ব্ৰজবলী
- (b) ব্ৰজাবলী
- (c) ব্ৰজাৱলী
- (d) ব্ৰজৱলী

(ii) জ্যোতিপ্ৰসাদ আগৰৱালাৰ কবিতাপুথি খনৰ নাম লিখা ?
- (a) সোণপখিলী
- (b) খনিকৰ
- (c) লুইতৰ পাৰৰ অগ্নিসুৰ
- (d) সুন্দৰ কোঁৱৰ

(iii) ‘‘পছোৱা’’ আলোচনীখন কোনখন সাহিত্যিকে সম্পাদনা কৰিছিল ?
- (a) কেশৱ মহন্তই
- (b) জ্যোতিপ্ৰসাদ আগৰৱালাই
- (c) নলিনীবালা দেৱীয়ে
- (d) হেমবৰুৱাই

Prepp
Your Personal Exams Guide

(iv) কেশৱ মহন্তই ৰচনা কৰা প্ৰথম কবিতা পুথি খন হ'ল –

(a) ওমলাঘৰ

(b) আগন্তুক

(c) আমাৰ পৃথিৱী

(d) কুঁহিপাত

**16.** তলত দিয়া যিকোনো ***এটা*** প্ৰশ্নৰ উত্তৰ লিখা – *1×2=2*

(A) মহাপুৰুষ মাধৱদেৱে অসমীয়া সাহিত্যক কিদৰে সমৃদ্ধ কৰিছিল ?

(B) জ্যোতিপ্ৰসাদ আগৰৱালাৰ কবিতাৰ বিশেষত্ব কি ?

**17.** প্ৰসংগ-সংগতি দৰ্শাই ব্যাখ্যা কৰা – (যিকোনো ***এছোঁৱা***) *1×4=4*

(A) আজি সুন্দৰৰ পূজা-থাপনাত
যাচিবি কিহৰে ষোড়শোপচাৰ,
গাবি কি ৰাগ, কি সুৰেৰেনো
পুৰা-সন্ধিয়াৰ গান ?

(B) আঘোণৰ কুঁৱলীয়ে বাট ভেটি কৰিছে আমনি,
একোকে নমনি ।
কুঁৱলী নথকা হ'লে দেখিলোহেঁতেন বা
পত্তা-সোণ-বৰণীয়া ধানৰ আঁচল ।